Date 22.12.07

# প্ৰাক-শংকৰীযুগৰ অসমৰ সংগীত

প্ৰাক-শংকৰী যুগত অসমৰ সংগীতৰ প্ৰতি টো মানদণ্ডৰ সংগীত যাঁৰা অৱস্থাৰ কথা আমি জানিব পাৰো। প্ৰাক শংকৰী যুগৰ অসমৰ সংগীতৰ বিষয়ে জনাৰ বাবে আহিলা (সমল) হল পুৰণী কামৰূপ ৰাজ্যত ৰচিত সংস্কৃত কাব্য স্মৃতি আদিগ্ৰন্থ, তন্ত্ৰ পুৰাণ আদি অন্য কামৰূপৰ ৰজা সকলৰ তাম্ৰ ফলি, শিলৰ ফলি বুৰঞ্জী বিদেশী ভ্ৰমণকাৰীৰ টোকা আদিয়ে প্ৰধান

১। বৈদিক সাহিত্যৰ 'শতপথ ব্ৰাহ্মণ' নামৰ এটি আখ্যানত আৰ্য্যবৰ্তৰ বিদেশ নামৰ ৰজাই পুৰ্ব-ভাৰত কৰতোৱা নদী পাৰ হৈ আহি পুৰ্বদেশৰ ৰাজ্যত (অসম) আৰ্য্য ধৰ্ম প্ৰতিষ্ঠা কৰাৰ কথা উলেখ আছে। আৰ্য্যৰ উপনিবেশত আৰ্য্যধৰ্ম চলোৱাটো স্বাভাৱিকতাৰ লগ লগাই ক্ৰমে অসমত আৰ্য্য সংস্কৃত গীতৰ যোগ আৰম্ভ হয়। কাৰণ আৰ্য্য সংস্কৃতিৰ লগে লগে সংগীতময় সামবেদৰ চৰ্চা হোৱাটো নিশ্চিত কথা।

২. ষষ্ঠ শতিকাত পালকাব্য মুনিয়ে উলিয়া হস্তায়ুৰ্বেদ উলেখ আছে যে আগৰ গৰ্গ আদি মুনিয়ে আশ্ৰম, লৌহিত্যৰ সামগায়নৰ আশ্ৰম সদায় বেদধ্বনীৰে মুখৰিত হৈ থাকে। সামবেদ সংগীতময়।

~~৩। সপ্তম শতিকাৰ ৰজাসকল ভাস্কৰ বৰ্মাৰ পঞ্চম পূৰ্ব্ব পুৰুষ মহাভূতি বৰ্মা অশ্বমেধ যজ্ঞত সামসংগীত হোৱাটো অপৰিহাৰ্য্য কথা।~~

৩। সপ্তম শতিকাৰ ৰজা ভাস্কৰ-বৰ্মাৰ পঞ্চম পূৰ্ব্ব পুৰুষ মহাভূতি বৰ্মাৰ অশ্বমেধ যজ্ঞ কৰাৰ কথা শিলালিপিত উলেখ আছে। অশ্বমেধ যজ্ঞত সামসংগীত হোৱাটো অপৰিহাৰ্য্য কথা।

৪। সপ্তম শতিকাত কামৰূপ ভ্ৰমণ কৰি যোৱা চীনা পৰিব্ৰাজক হিউৱেন চাঙৰ ভ্ৰমণ টোকাত অসমৰ সংগীতৰ

যোগীনি তন্ত্রৰ হয়গ্ৰীৱ মন্দিৰৰ স্থান মনিকূট বৰ্ণনা দিওঁতে লিখিছে যে হয়গ্ৰীৱৰ বীণা, বেনু মৃদংগ আদি ধ্বনীৰে শব্দায় উত্সৱ মুখৰ হৈ থাকে ওপৰৰ উল্লেখিত বাদ্য সমূহ মাৰ্গ সংগীতৰ বাদ্য। হাজোৰ কেদাৰ আৰু মাধৱ মন্দিৰৰ দেৱদাসী সকলৰ মাগে সংগীতৰ বাস আছে তাৰেই অৱশেষ আজিও দেখা যায়।

অসমৰ নৃত্য গীতৰ পৰম্পৰা অতি প্ৰাচীন বুলি শাস্ত্ৰত কামৰূপী অভিনয়ৰ স্থতি বৈশিষ্টৰ কথা কৈছে কামৰূপ ৰমনীৰ গীত বাদ্যৰ নিপুনতাৰ উল্লেখ কৰিছে বৰ্তমান উত্তৰ প্ৰদেশৰ আপচৰ শিলি মাচ্ছৰ এমন প্ৰাচীন লিপিত "স্ত্ৰৈৰিত্য তটেষ্মু সিদ্ধ মিথুনৈঃ যশোগীয়তে" কোনো কথাই স্ত্ৰৈৰিত্য বা ব্ৰহ্মপুত্ৰৰ তটবাসীসকলৰ গীত বাদ্যত নিপুন থকাৰ কথাই কোৱা হৈছে।

নন্দীকেশ্বৰৰ অভিনয় দৰ্পনত শোনিতপুৰৰ ৰজা বানৰ জীয়ৰী উষাৰ পৰা লাস্য নৃত্য খেৰা মুলি কোৱা আছে উষাই লাস্য নৃত্যৰ পাৰ্বতীৰ পৰা শিকিছিলে। উষাই তেওঁ অনিৰুদ্ধৰ লগত দ্বাৰকালৈ গৈ দ্বাৰকাৰ গোপীসকলক শিকালে। তেওঁলোকে সৌৰাষ্ট্ৰৰ তিৰোতাবোৰক শিকালে এইদৰে দেশৰ আন অঞ্চল ঠাইত লাস্য নৃত্য বিয়পি পৰিছিল।

ভৰতৰ নাট্যশাস্ত্ৰত খ্ৰীঃ পূঃ ১ম শতিকাৰ পৰা প্ৰাগজ্যোতিষ অঞ্চলত ভাবে সংগীতৰ লগে লগে নৃত্য আৰু বাদ্যৰ পৰম্পৰা থকাৰ প্ৰমান আছে। নাট্যশাস্ত্ৰত ভৰত মুনীয়ে ওড্ৰ মাগধী প্ৰচলিত ঠাইবোৰৰ মাজত উল্লেখ কৰা প্ৰাগজ্যোতিষ হল অসম।

— x —

বিষয়ে বিস্তৃতভাৱে কথা লিখা আছে। কামৰূপত এটা
উপভোগ্য কৰিছে চীনা অতিথি সকলক নৃত্য গীতেৰে অভ্যৰ্থনা
কৰিছিল। সেই সময়ত চীনদেশৰ প্ৰতি কোনো উপস্থাপনৰ
গীত কামৰূপ ৰাজ্যত প্ৰচলিত থকাৰ কথা জনাই চীনৰ
অতিথি সকলক জানিবলৈ দিয়ে। সেই সময়ত অসমীয়া
সংগীতক বিদেশী সংগীতত উন্নত পাইছিল বুলি এই কথাই
প্ৰমাণ কৰে। কামৰূপাধিপতি কুমাৰ ভাস্কৰ বৰ্মৰ
এজন সংগীত পৃষ্ঠপোষক আছিল বুলি জনা যায়।

৫/ নৱম শতিকাৰ বনমালা বৰ্মাৰ তাম্ৰ ফলিত
উনুহস্তলা অৰ্থাৎ দেৱদাসীৰ কথা উল্লেখ আছে। দেৱদাসী
সকলে হুতকাপুৰী মন্দিৰ যেন বস্তুৰ কাৰ্য্য গীত বাদ্যৰ
দ্বাৰা মন্দিৰ মুখৰিত হৈ থকাৰ কথা ইত্যাদিও পাওঁ
এইবোৰৰ কাৰ্যৰ পৰা আমি জানিব পাৰো যে সেইকালত
কামৰূপ ৰাজ্যত মাৰ্গসংগীতৰ প্ৰতি সুষ্ঠুৰূপ অৱস্থা

৬/ ১০,১১, শতিকাৰ ৰজা ইন্দ্ৰপালৰ তাম্ৰ ফলিত
তেওঁ অনবদ্য বিদ্যাধৰ কলাবিলাসী, গুণৱৰ্ধ আদি উপাধিৰে
ঘোষিত কৰিছে। ইয়াৰ পৰা বুজা যায় যে এই
যুগত কামৰূপৰ ৰজা সকলেও মাৰ্গ সংগীতৰ চৰ্চা
কৰিছিল।

৭/ ১১ শতিকাৰ ৰত্নপালৰ তাম্ৰ ফলিত নটৰাজ
শিৱৰ আনন্দ তাণ্ডৱ নৃত্যৰ বৰ্ণনা আছে। মাৰ্গ নৃত্য
শিৱৰ তাণ্ডৱৰ লগত প্ৰত্যক্ষ পৰিচয় নথাকিলে অথবা
শিৱৰ তাণ্ডৱৰ সবিশেষ নজানিলে তাণ্ডৱ নৃত্যৰ এনে
বাস্তৱ বৰ্ণনা দিয়াটো সম্ভৱ নহয়।

৮/ কালিকা পুৰাণ যোগিনী তন্ত্ৰ পুৰণী কামৰূপত ৰচিত
দুখন প্ৰধান গ্ৰন্থ। দুয়োখন পুথিতেই সেই সময়ৰ কামৰূপৰ
সংগীতৰ বিষয়ে বহুত কথা লিখা আছে। শক্তি মন্দিৰত
গীত নৃত্য বাদ্যৰে দেৱী পূজা কৰাৰ কথা আছে।